**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-09-2024
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ আমেৰিকা ভ্ৰমণৰ আজি প্ৰথম দিনা ৱাশ্বিংটনৰ ডেলাৱেৰত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ সন্মিলন আৰু কেইবাখনো উচ্চস্তৰীয় দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰে।

২। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি ছিংগাপুৰত বিনিয়োগ ভাৰতৰ নতুন কাৰ্যালয় মুকলি কৰে।

৩। স্বাধীনতা দিৱসৰ সময়ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত সন্দেহযুক্ত বোমা সদৃশ সামগ্ৰী সংস্থাপনৰ ঘটনাৰ তদন্তৰ অংশ হিচাপে অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান চলাই ১৫ জন লোকক গ্ৰেপ্তাৰ কৰে।

৪। প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী -এন চি চিৰ যুটীয়া ৰাজ্যিক প্ৰতিনিধি আৰু উপ-সঞ্চালক প্ৰধান সন্মিলনৰ অধ্যক্ষতা কৰিব।

*আৰু*

৫। ভাৰত আৰু বাংলাদেশৰ মাজৰ চলিত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখনত ভাৰত ২৮০ ৰাণত জয়ী হৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ আমেৰিকা ভ্ৰমণৰ আজি প্ৰথম দিনা ৱাশ্বিংটনৰ ডেলাৱেৰত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ সন্মিলন আৰু কেইবাখনো উচ্চস্তৰীয় দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰে। কালি নিশা শ্ৰীমোদীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিশ্বিডা আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানেজৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে এই আলোচনাসমূহে প্ৰধানমন্ত্ৰী মোদীক বিশ্ব উন্নয়ন বিকাশ তথা শান্তি আৰু সুৰক্ষাৰ হকে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা আৰু ভাৱাদৰ্শ আগুৱাই নিয়াৰ সুযোগ প্ৰদান কৰে।

ফিলাডেলফিয়াত উপস্থিত হোৱাৰ পাছত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে শ্ৰীমোদীক বিমান বন্দৰ আৰু হোটেলত আদৰণি জনায়। তাত উপস্থিত হোৱাৰ ঠিক পাছতেই শ্ৰীমোদীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনক সাক্ষাৎ কৰে। প্ৰায় এঘণ্টাজোৰা এই দ্বিপাক্ষিক বৈঠকত দুয়োগৰাকী নেতাই বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। বৈঠকৰ সময়ছোৱাত শ্ৰীমোদীয়ে ভাৰত আৰু আমেৰিকাই বৰ্তমান ব্যাপক গোলকীয় কৌশলগত অংশীদাৰিত্ব আগবঢ়াই নিয়া সন্দৰ্ভত আলোকপাত কৰে। দুয়োগৰাকী নেতাই ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলকে ধৰি আঞ্চলিক আৰু গোলকীয় বিভিন্ন বিষয় সন্দৰ্ভত দ্বিপাক্ষিক সহযোগিতাক অধিক শক্তিশালী কৰাৰ দিশ সন্দৰ্ভত আলোচনা কৰে। আজি দিনটোৰ শেষৰ মূল কাৰ্যসূচী হিচাপে ৰাষ্ট্ৰপতি বাইডেনে শিক্ষা গ্ৰহণ কৰা Archmere Academy ত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ সন্মিলন অনুষ্ঠিত হয়। সন্মিলনৰ সময়ত শ্ৰীমোদীয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিকাশ আৰু উন্নয়নৰ হকে

ভাৰতৰ সহযোগিতামূলক পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰে। জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিশ্বিডা আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানেজে ভাৰতৰ অবিৰত সহযোগিতাৰ ভূয়সী প্ৰশংসা কৰে।

কাইলৈ তেওঁ ভ্ৰমণৰ অন্তিম দিনা নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত **ছামিট অব দ্য ফিউচাৰ** শীৰ্ষক সন্মিলন সম্বোধন কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে **উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান**। সন্মিলনৰ সুযোগতে শ্ৰীমোদীয়ে আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় লৈ বিশ্ব নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি ছিংগাপুৰত বিনিয়োগ ভাৰতৰ নতুন কাৰ্যালয় মুকলি কৰে। এই কাৰ্যালয়টোৱে বিভিন্ন ক্ষেত্ৰত ভাৰতত বিনিয়োগ কৰিব বিচৰা কোম্পানীসমূহৰ বাবে যোগাযোগৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে কাম কৰিব আৰু ইয়াৰ ফলত সহযোগিতা বৃদ্ধি পাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত বৰ্ষৰ ছেপ্টেম্বৰত ছিংগাপুৰ ভ্ৰমণৰ সময়ত এই কাৰ্যালয়টো স্থাপন কৰাৰ কথা ঘোষণা কৰিছিল। ছিংগাপুৰৰ এই কাৰ্যালয়টো হৈছে বিনিয়োগ ভাৰতৰ বিদেশত থকা প্ৰথমটো কাৰ্যালয়।

এই উপলক্ষে দিয়া ভাষণত শ্ৰীগোৱেলে কয় যে এই কাৰ্যালয়টোৱে ছিংগাপুৰ আৰু আছিয়ান অঞ্চলৰ সৈতে ভাৰতৰ অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰাত ভাৰতৰ প্ৰয়াস সন্দৰ্ভত এটা নতুন অধ্যায় হিচাপে চিহ্নিত হৈছে। দেশৰ গতিশীল আৰু উন্নত অৰ্থনীতিৰ হকে বিশ্বৰ বিনিয়োগকাৰী সকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাকৈ বিনিয়োগৰ সুবিধা লাভ কৰিব পাৰে, সেই লক্ষ্যৰে চৰকাৰে অনাগত সময়ত আৰু অধিক বিদেশী বিনিয়োগ ভাৰত কাৰ্যালয় মুকলি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

০০০

চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত World Food india 2024 সন্মিলনৰ আজি সামৰণি পৰে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত ১৯ চেপ্টেম্বৰত এই সন্মিলন আৰম্ভ হৈছিল। অনুষ্ঠানত প্ৰায় ৯০ খন দেশ, ২৬ খন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, ১৮ টা মন্ত্ৰালয় আৰু সহযোগী চৰকাৰী বিভাগে অংশগ্ৰহণ কৰে। এই সন্মিলনে খাদ্য সংশাধনৰ ক্ষেত্ৰত গোলকীয় শক্তিগৃহ হিচাপে ভাৰতৰ ভূমিকাত আলোকপাত কৰে। এই সন্মিলন হৈছে খাদ্য সংশাধন খণ্ডত নতুনত্ব, প্ৰযুক্তি আৰু বহনক্ষমতাৰ উল্লেখনীয় সংযোজন। সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত খাদ্য সংশাধন মন্ত্ৰী চিৰাগ পাছোৱান আৰু খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশী উপস্থিত থাকে।

০০০

স্বাধীনতা দিৱসৰ সময়ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত সন্দেহযুক্ত বোমা সদৃশ সামগ্ৰী সংস্থাপনৰ ঘটনাৰ তদন্তৰ অংশ হিচাপে অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান চলাই ১৫ জন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোকসকলৰ ভিতৰত তিনিগৰাকী মহিলা আছে। ডিব্ৰুগড় আৰু লখিমপুৰৰ পৰা তিনিজনকৈ লোকক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে যোৰহাট আৰু গুৱাহাটীৰ পৰা দুজনকৈ লোকক গ্ৰেপ্তাৰ কৰা হয়। ইফালে, তিনিচুকীয়া, শদিয়া, নগাঁও, নলবাৰী, তামুলপুৰৰ পৰা এজনকৈ লোকক গ্ৰেপ্তাৰ কৰা হয়। বিভিন্ন সূত্ৰৰ পৰা লাভ কৰা চোৰাংচোৱা তথ্যৰ ভিত্তিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা-এন আই এৰ কাৰিকৰী সহযোগত এই অভিযান লোককেইজনক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা ব্যক্তিসকলৰ প্ৰাৰম্ভিক জেৰাৰ পাছত অভিযোগনামা দাখিল কৰা হৈছে।

০০০

প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী -এন চি চিৰ যুটীয়া ৰাজ্যিক প্ৰতিনিধি আৰু উপ-সঞ্চালক প্ৰধান সন্মিলনৰ অধ্যক্ষতা কৰিব। সন্মিলনৰ সময়ত শেহতীয়াকৈ এন চি চিৰ কেডেটৰ সংখ্যা ১৭ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰাৰ উদ্দেশ্যে অনুমোদন দিয়া সম্প্ৰসাৰণ আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হ'ব। প্ৰতিনিধিসকলে লগতে এন চি চিৰ নীতি, অৰ্থনৈতিক প্ৰয়োজন আৰু নতুন প্ৰশিক্ষণ কেন্দ্ৰ তথা কেম্পৰ আন্তঃগাঁথনি উন্নত কৰাৰ উদ্দেশ্যে অংশীদাৰসকলৰ মাজত সহযোগিতা বৃদ্ধিৰ বিভিন্ন দিশ সন্দৰ্ভতো আলোচনা কৰিব। প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰীগৰাকীয়ে কয় যে সন্মিলনখনৰ উদ্দেশ্য হৈছে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সমন্বয় বৃদ্ধিৰ লগতে দেশৰ এন চি চি কেডেটসকলৰ উন্নত ভৱিষ্যৎ সুনিশ্চিত কৰা।

এই দ্বিবাৰ্ষিক সন্মিলনত ৰাজস্থানৰ উপ-মুখ্যমন্ত্ৰী আৰু উচ্চ শিক্ষা মন্ত্ৰী, অৰুণাচল প্ৰদেশ, অসম, কৰ্ণাটক, কেৰালা আৰু উত্তৰাখণ্ডৰ শিক্ষা মন্ত্ৰীসকলৰ লগতে গোৱাৰ যুৱ আৰু ক্ৰীড়া মন্ত্ৰী তথা অন্যান্য ৰাজ্যৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব।

০০০

পূব ইৰাণৰ দক্ষিণ খোৰছান প্ৰদেশৰ এটা কয়লাখনিত কালি হোৱা গেছ বিস্ফোৰণ ঘটনাত প্ৰায় ৫১জন লোক নিহত হয়। ৰাজ্যখনৰ ৰাজ্যিক সংবাদ মাধ্যমে প্ৰকাশ কৰা তথ্য অনুসৰি স্থানীয় সময় অনুসৰি নিশা প্ৰায় ৯ বজাত টাবাছৰ মজনুজ খনিত মিথেন গেছ নিৰ্গমনৰ ফলতেই এই বিস্ফোৰণ সংঘটিত হয়। উল্লেখযোগ্য যে এই বিস্ফোৰণত ২০জনতকৈ অধিক শ্ৰমিক আহত হোৱাৰ লগতে এতিয়াও বহু লোকৰ সন্ধান পোৱা হোৱা নাই। প্ৰাথমিকভাৱে ৩০জন লোকৰ মৃত্যুৰ তথ্য পোৱা গৈছে যদিও মৃতকৰ সংখ্যা আৰু বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলি জানিব পৰা গৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ চলিত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখনত ভাৰত ২৮০ ৰাণত জয়ী হৈছে। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত খেলখনৰ আজি চতুৰ্থ দিনা বাংলাদেশে নিজৰ দ্বিতীয় ইনিংছত ২৩৪ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে দ্বিতীয় ইনিংছত ৬ টা উইকেট দখল কৰে। ইয়াৰ জৰিয়তে টেষ্টৰ এটা ইনিংছত সৰ্বাধিক বাৰ ৫টা উইকেট দখল কৰা

অভিলেখৰ ক্ষেত্ৰত কিংবদন্তি স্পীনাৰ শ্বেন ৱাৰ্ণৰ সৈতে অশ্বিনে সমতা স্থাপন কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে বাংলাদেশে টছ্ত জিকি বেটিং কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ পাছ্ত ভাৰতে ৰবিচন্দ্ৰন অশ্বিনৰ ১১৩ আৰু ৰবীন্দ্ৰ জাদেজাৰ ৮৬ ৰাণৰ সহায়ত ৩৩৬ ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত মাত্ৰ ১৪৯ ৰাণত বাংলাদেশৰ প্ৰথম ইনিংছৰ অন্ত পৰাত দ্বিতীয় ইনিংছত ভাৰতে ৪ উইকেটত ২৮৭ ৰাণ কৰি ইনিংছ ঘোষণা কৰিছিল। খেলখনত সামগ্ৰিক প্ৰদৰ্শনৰ বাবে ৰবিচন্দ্ৰন অশ্বিনক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়। শৃংখলাৰ পৰৱৰ্তী খেলখন কানপুৰত অনুষ্ঠিত হ'ব।

০০০

সমাপ্ত